**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। আফগান তালিবানে পাকিস্তানত সংঘটিত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

২। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ কাইলৈ অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব।

৩। কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দ ৩ দিনীয়া ভ্ৰমণসূচীৰে আজি নতুন দিল্লী পাবহি।

৪। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

*আৰু*

৫। ভাৰতে আজি পুৰুষৰ চুলতান জোহৰ কাপ জুনিয়ৰ হকী প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

আফগান তালিবানে পাকিস্তানত সংঘটিত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। এই আক্ৰমণত ৫৮ জন পাকিস্তানী সৈনিক নিহত হৈছে। তালিবানে ইয়াক পাক্তিকা প্ৰদেশত হোৱা পাকিস্তানী বিমান আক্ৰমণৰ প্ৰতিশোধ বুলি অভিহিত কৰিছে।

তালিবানৰ মুখপাত্ৰ জবিবুল্লাহ মুজাহিদে কয়, যে এই আক্ৰমণত সীমান্তৱৰ্তী একাধিক স্থানক লক্ষ্য কৰি লোৱা হয় আৰু আক্ৰমণত অন্য ৩০ জন পাকিস্তানী সৈনিক আহত হয়। আক্ৰমণত তালিবানৰ ৯ জন যুঁজাৰু নিহত আৰু ১৮ জন আহত হয়।

যোৱা সপ্তাহত কাবুলত সংঘটিত বিস্ফোৰণ আৰু আফগানিস্তানৰ ভূ-খণ্ডত পাকিস্তানে বোমা বৰ্ষণ কৰাৰ ফলত দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি পাইছে। আফগানিস্তানে তেহৰিকে তালিবান পাকিস্তানৰ সন্ত্ৰাসবাদীসকলক আশ্ৰয় দিয়া বুলি পাকিস্তানে অভিযোগ উত্থাপন কৰিছে। তালিবানে অৱশ্যে এই অভিযোগ খণ্ডন কৰিছে। দুয়োখন দেশৰ মাজৰ উত্তেজনাৰ বাবে তোৰ্খম আৰু চমনৰ সীমা চকী বন্ধ কৰি দিয়া হৈছে। ইয়াৰ ফলত ভালেসংখ্যক বাহন আৱদ্ধ হৈ পৰিছে। ইপিনে, চৌদী আৰব আৰু কাটাৰে দুয়োখন দেশক সংযম বৰ্তাই ৰাখিবলৈ আৰু আলোচনাৰ মাজেৰে উত্তেজনা দূৰ কৰিবলৈ আহ্বান জনাইছে।

ooooo

আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমীৰ খান মুক্তাকিয়ে এইবুলি সঁকিয়াই দিছে যে, যদিহে পাকিস্তানে সু-সম্পৰ্ক আৰু শান্তি নিবিচাৰে, তেন্তে আফগানিস্তানৰো অন্য বিকল্প আছে। দিল্লীত আজি আফগানিস্তান আৰু পাকিস্তানৰ মাজত চলি থকা সংঘৰ্ষ সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আফগানিস্তানৰ বিদেশ মন্ত্ৰীগৰাকীয়ে কয়, যে দেশখনে ইয়াৰ সাৰ্বভৌমত্ব ৰক্ষা কৰি যাব। তেওঁ কয়, যে পাকিস্তানৰ একাংশই পৰিস্থিতি বেয়াৰ পিনে ঢাল খুৱাবলৈ চেষ্টা কৰিছে। পাকিস্তানৰ জন-সাধাৰণে আফগানিস্তানৰ সৈতে শান্তিপূৰ্ণ সম্পৰ্ক বিচাৰে বুলি তেওঁ মন্তব্য কৰে। দুদিন পূৰ্বে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাৰ অনুষ্ঠানলৈ মহিলা সাংবাদিকক আমন্ত্ৰণ নজনোৱা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত আফগান বিদেশ মন্ত্ৰীগৰাকীয়ে কয়, যে সেয়া এক প্ৰযুক্তিগত সমস্যা আছিল, কিয়নো কম সময়ৰ ভিতৰতে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল আৰু অনুষ্ঠানৰ বাবে সাংবাদিকৰ এখন চমু তালিকা যুগুত কৰা হৈছিল। ইয়াৰ বাহিৰে আন একো অভিপ্ৰায় নাছিল বুলি তেওঁ মন্তব্য কৰে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ কাইলৈ অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে, যে ২৬ অক্টোবৰত সামৰণি পৰিবলগীয়া এই বাৰ্ষিক অনুশীলনত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতীয় সেনা বাহিনীৰ এটা ১২৫ জনীয়া দল কালি ৰাওনা হয়। গোৰ্খা ৰাইফলছৰ এটা বেটেলিয়ন আৰু সেনাবাহিনীৰ অন্য শাখাৰ সৈনিকে এই দলৰ নেতৃত্ব বহন কৰিছে।

মন্ত্ৰালয়ে কয়, যে সামৰিক সহযোগিতাৰ লগতে আন্তঃসঞ্চালন সামৰ্থ্য বৃদ্ধিয়েই এই অনুশীলনৰ মূল উদ্দেশ্য। ইয়াৰ উপৰি এই অনুশীলনে অংশগ্ৰহণ কৰা সৈনিকসকলক নগৰীয় বা উপ-নগৰীয় এলেকাত উপ-পৰম্পৰাগত যুদ্ধৰ ৰণ-নীতি, প্ৰযুক্তি আৰু কৌশলৰ আদান-প্ৰদানৰ বাবে এখন মঞ্চ প্ৰদান কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে অহা বুধবাৰে বিহাৰৰ বুথ পৰ্য্যায়ৰ দলীয় কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিব। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে দলৰ কৰ্মীসকলক **মেৰা বুথ সবসে মজবুত** অভিযানত অংশগ্ৰহণ কৰিবলৈ আৰু দিহা-পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে লগতে তেওঁ কেইগৰাকীমান বচা বচা দলীয় কৰ্মীৰ সৈতে দিহা-পৰামৰ্শ সন্দৰ্ভত পোনপটীয়াকৈ মত-বিনিময় কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০

এন ডি এ মিত্ৰজোটে বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে আসনৰ ভাগ বাটোৱাৰাৰ কথা ঘোষণা কৰিছে। বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ তাৱড়েই আজি সামাজিক মাধ্যমযোগে কয়, যে বিজেপি আৰু জে ডি ইউ-এ এশ এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। লোক জনশক্তি পাৰ্টীৰ ৰাম বিলাস গোটে ২৯ খন আৰু ৰাষ্ট্ৰীয় লোকমৰ্চা তথা হিন্দুস্তানী আৱাম মৰ্চাই ছখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। নতুন দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত মিত্ৰজোটৰ শীৰ্ষ নেতাসকলৰ আনুষ্ঠানিক আলোচনাৰ অন্তত এই কথা প্ৰকাশ কৰা হয়।

০০০০০

কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দ ৩ দিনীয়া ভ্ৰমণসূচীৰে আজি নতুন দিল্লী পাবহি। তেওঁ কাইলৈ বৈদেশিক পৰিক্ৰমাৰ মন্ত্ৰী ড০ এছ জয়শংকৰৰ সৈতে আলোচনাত বহিব। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলকো কাইলৈ তেওঁ সাক্ষাৎ কৰিব। এই আলোচনাত দুয়োখন দেশৰ মাজত বাণিজ্য বৈচিত্ৰ্য, শক্তি ৰূপান্তৰ আৰু নিৰাপত্তাৰ দৰে বিষয়ত কৌশলগত সহযোগিতা বৃদ্ধিত আলোকপাত কৰা হ'ব। শ্ৰীমতী আনন্দ মুম্বাইলৈও যাব আৰু তাত তেওঁ দুয়োখন

দেশত বিনিয়োগ, কৰ্মসংস্থাপন সৃষ্টি আৰু অৰ্থনৈতিক সুবিধা সন্দৰ্ভত দেশ দুখনৰ ব্যৱসায় প্ৰতিষ্ঠানৰ মুৰববীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

ভাৰতীয় সেনাই অহা ১৪ অক্টোবৰৰ পৰা নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ সামৰিক অভিযানত অৱদান আগবঢ়োৱা দেশসমূহৰ সেনাবাহিনীৰ মুৰব্বীসকলৰ সন্মিলন অনুষ্ঠিত কৰিব। তিনিদিনীয়াকৈ হ'বলগা এই সন্মিলনত সমগ্ৰ বিশ্বতে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানৰ সৈতে জড়িত দেশসমূহৰ সেনাৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি ৰাষ্ট্ৰসংঘৰ অভিযানসমূহৰ অন্যতম অংশীদাৰী দেশ হিচাপে ভাৰতে এই উচ্চপৰ্যায়ৰ সন্মিলনখনৰ আয়োজন কৰিছে। সন্মিলনত সেনাবাহিনীয়ে লাভ কৰা প্ৰত্যাহ্বান, ভাবুকিৰ লগতে দেশসমূহৰ মাজত অনুশীলনৰ আদান-প্ৰদান আৰু ভৱিষ্যতৰ শান্তিৰক্ষাৰ বিষয়ত বুজাবুজি গঢ়ি তোলাৰ বাবে আলোকপাত কৰা হ'ব। ইয়াত ভাৰতৰ বসুধাইৱ কুটুম্বকমৰ মূলমন্ত্ৰক প্ৰতিফলিত কৰিব বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

উদ্বোধনী অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডº এছ জয়শংকৰ আৰু ৰাষ্ট্ৰসংঘৰ শান্তি অভিযানৰ উপ-সচিব প্ৰধান জিন পিয়েৰে লেক্ৰইক্সে অংশগ্ৰহণকাৰী দেশসমূহক সম্বোধন কৰিব। বিভিন্ন দেশৰ সেনা প্ৰধান আৰু প্ৰতিনিধি দলৰ মুৰব্বীসকলেও তেওঁলোকৰ মতামত দাঙি ধৰিব। এই সন্মিলনতে দ্বিপাক্ষিক আৰু সাংস্কৃতিক বিনিময়ৰ বাবে প্ৰতিৰক্ষা প্ৰদৰ্শনীও অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্মিলনত আলজেৰিয়া, আৰ্মেনিয়া, অষ্ট্ৰেলিয়া, বাংলাদেশ, ভূটান, ব্ৰাজিল, বুৰুণ্ডী, কম্বোডিয়া, ইজিপ্ত, ইথিওপিয়া, ফিজি, ফ্ৰান্স, ঘানা, ইটালী, কাজাখস্তান, কেনিয়া, কিৰগিজস্তান, মাদাগাস্কাৰ, মালয়েছিয়া, মংগোলিয়া, মৰক্কো, নেপাল, নাইজেৰিয়া, পোলেণ্ড, ৰুৱাণ্ডা, শ্ৰীলংকা, সেনেগাল, তাঞ্জানিয়া, থাইলেণ্ড, উগাণ্ডা, উৰুগুৱে আৰু ভিয়েটনামৰ সেনাপ্ৰধানে অংশ ল'ব।

০০০০০

পশ্চিমবঙ্গৰ দুৰ্গাপুৰ আদালতে এখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়ত এম বি বি এছ্‌ পাঠ্যক্ৰমৰ দ্বিতীয় বৰ্ষৰ এগৰাকী ছাত্ৰীৰ দলবদ্ধ ধৰ্ষণৰ গোচৰৰ তিনিজন অভিযুক্তক আজি ১০ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। শ্বেখ ৰিয়াজুদ্দিন, অপু বাউৰী আৰু ফিৰদোজ শ্বেখ নামৰ এই অভিযুক্ত তিনিজনক বিজৰা গাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছিল। ওড়িশাৰ এগৰাকী ছাত্ৰী শুকুৰবাৰে সন্ধিয়া বান্ধৱীৰ সৈতে মহাবিদ্যালয় চৌহদৰ পৰা ওলাই যোৱাৰ সময়ত দলবদ্ধ ধৰ্ষণৰ বলি হৈছিল।

০০০০০

মহিলাসকল নিশা ঘৰৰ বাহিৰলৈ ওলাব নালাগে বুলি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দিয়া মন্তব্যক লৈ ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দুৰ্গাপুৰৰ এখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ পাঠ্যক্ৰমৰ দ্বিতীয় বৰ্ষৰ এগৰাকী ছাত্ৰী দলৰদ্ধ ধৰ্ষণৰ বলি হোৱা বুলি উঠা অভিযোগ সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য দিয়ে। তেওঁ কয়, যে ঘটনাটোৰ তদন্ত চলি আছে আৰু সকলো অভিযুক্তকে শাস্তি প্ৰদান কৰা হ'ব।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৮ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৮০ ৰাণ কৰে। প্ৰতীকা ৰাৱলে ৭৫ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে নতুন দিল্লীত অনুষ্ঠিত চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত আজি তৃতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে দ্বিতীয় ইনিংছত দুটা উইকেট হেৰুৱাই ১৭৩ ৰাণ সংগ্ৰহ কৰে। খেল সামৰাৰ পৰত ছাই হ'পে ৬৬ আৰু জন কেম্পবেলে ৮৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ৱেষ্ট ইণ্ডিজ ৮ টা উইকেট আউট হ'বলৈ বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ৯৭ ৰাণত পিচ পৰি আছে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰাণ কৰিবলৈ সমৰ্থ হয় আৰু দলটো ফল'অনৰ সন্মুখীন হয়। ভাৰতৰ হৈ কুলদীপ যাদৱে ৫ টা, ৰবীন্দ্ৰ জাদেজাই তিনিটা আৰু মহম্মদ চিৰাজ আৰু যশপ্ৰীত বুমৰাই এটাকৈ উইকেট দখল কৰে। এই প্ৰদৰ্শনৰ সুবাদত কুলদীপ যাদৱে ১৫ খন টেষ্ট মেচত ৫ টাকৈ উইকেট দখলৰ বিশ্ব অভিলেখ গঢ়ে। উল্লেখযোগ্য যে, ভাৰতে কালি ৫ টা উইকেটৰ বিনিময়ত ৫১৮ ৰাণ কৰা অৱস্থাত প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰিছিল।

০০০০০

ভাৰতে আজি মালয়েছিয়াৰ জোহৰ বাহৰুত অনুষ্ঠিত পুৰুষৰ চুলতান জোহৰ কাপ জুনিয়ৰ হকী প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ অৰ্শদীপ সিং, পি বি সুনীল, অৰিজিৎ সিং হুন্দাল আৰু ৰোচন কুজুৰে গ'ল দিয়ে। নিউজিলেণ্ডে খেলখনত সমতা স্থাপনৰ বাবে চেষ্টা চলায় আৰু অধিনায়ক বুছ নেলচন আৰু এইডেন বাক্সে দুটা গ'ল পৰিশোধ কৰে। আজি অনুষ্ঠিত আন এখন খেলত পাকিস্তানে মালয়েছিয়াক ৭-২ গ'লত পৰাভূত কৰে। ভাৰত মঙলবাৰে হ'বলগীয়া এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত